23-10-2025 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – পিতা তোমালোক সন্তাসকলক সাঁতোৰ শিকাবলৈ আহিছে, যাৰ দ্বাৰা তোমালোক এইখন সৃষ্টিৰ পৰা পাৰ হৈ যোৱা, তোমালোকৰ কাৰণে সৃষ্টিয়েই সলনি হৈ যায়"**

প্ৰশ্ন: যিসকল পিতাৰ সহায়কাৰী হয়, তেওঁলোকৰ সহায়ৰ বিনিময়ত কি প্ৰাপ্তি হয়?

উত্তৰ: যিসকল সন্তান এতিয়া পিতাৰ সহায়কাৰী হয়, তেওঁলোকক পিতাই এনেকুৱা কৰি তোলে যে আধাকল্প কাৰো সহায় লোৱা বা ৰায় লোৱাৰ প্ৰয়োজনেই নাথাকে। কিমান মহান পিতা, কয় সন্তানসকল তোমালোক মোৰ সহায়কাৰী নোহোৱাহেঁতেন মই স্বৰ্গ স্থাপনা কেনেকৈ কৰিলোঁহেঁতেন।

ওঁম্ শান্তি। মৰমৰ ক্ৰমানুসৰি অতি অমায়িক আত্মিক সন্তানসকলৰ প্ৰতি আত্মিক পিতাই বুজায় কিয়নো বহুত সন্তান অবোধ হৈ গৈছে। ৰাৱণে বহুত অবোধ কৰি দিছে। এতিয়া আমাক কিমান বিচাৰ বুদ্ধি সম্পন্ন কৰি তোলে। কোনোবা আই.চি.এছ পৰীক্ষাত উত্তীৰ্ণ হ'লে তেতিয়া এনেকৈ ভাবে যে বহুত ডাঙৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে। তোমালোকতো এতিয়া চোৱা কিমান ডাঙৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা। অলপ ভাবি চোৱাচোন বাৰু পঢ়াওঁতাজন কোন! পঢ়োঁতাসকল কোন! এইটোও নিশ্চয়তা আছে - আমি কল্পই কল্পই প্ৰত্যেক 5 হাজাৰ বছৰৰ পাছত পিতা, শিক্ষক, সৎগুৰুৰ সৈতে মিলিত হৈয়ে থাকোঁ। কেৱল তোমালোক সন্তানসকলেহে জানা যে আমি কিমান উচ্চতকৈও উচ্চ পিতাৰ দ্বাৰা উচ্চ উত্তৰাধিকাৰ পাওঁ। শিক্ষকেও পঢ়াই উত্তৰাধিকাৰ দিয়ে নহয়। তোমালোককো পঢ়াই তোমালোকৰ কাৰণে সৃষ্টিখনকে সলনি কৰি দিয়ে, নতুন সৃষ্টিত ৰাজত্ব কৰিবৰ কাৰণে। ভক্তিমাৰ্গত কিমান মহিমা গায়। তোমালোকে তেওঁৰ দ্বাৰা নিজৰ উত্তৰাধিকাৰ পাই আছা। এয়াও তোমালোক সন্তানসকলে জানা যে পুৰণি সৃষ্টি সলনি হৈ আছে। তোমালোকে কোৱা আমি সকলো শিৱবাবাৰ সন্তান। পিতাও আহিবলগীয়া হয় - পুৰণি সৃষ্টিক নতুনকৈ গঢ়ি তুলিবলৈ। ত্ৰিমূৰ্তিৰ চিত্ৰতো দেখুৱায় যে ব্ৰহ্মাৰ দ্বাৰা নতুন সৃষ্টিৰ স্থাপনা। তেন্তে নিশ্চয় ব্ৰহ্মা মুখ বংশাৱলী ব্ৰাহ্মণ-ব্ৰাহ্মণীৰ প্ৰয়োজন। ব্ৰহ্মাইতো নতুন সৃষ্টি স্থাপনা নকৰে। ৰচয়িতা হয়েই পিতা। তেওঁ কয় - মই আহি যুক্তিৰে পুৰণি সৃষ্টিৰ বিনাশ কৰাই নতুন সৃষ্টি ৰচনা কৰোঁ। নতুন সৃষ্টিৰ নিবাসী বহুত কম সংখ্যক হয়। চৰকাৰে চেষ্টা কৰি থাকে যে জনসংখ্যা কম হওঁক। এতিয়া কমতো নহ'ব। যুদ্ধত কোটি কোটি মনুষ্যৰ মৃত্যু হয় তেতিয়া মনুষ্য কম হয় জানো, জনসংখ্যাতো তথাপি বৃদ্ধি হৈ গৈ থাকে। এয়াও তোমালোকে জানা। তোমালোকৰ বুদ্ধিত বিশ্বৰ আদি-মধ্য-অন্তৰ জ্ঞান আছে। তোমালোকে নিজক বিদ্যাৰ্থী বুলিও ভাবা। সাঁতুৰিবলৈও শিকা। এনেকৈ কয় নহয় যে মোৰ নাও পাৰ কৰোৱা। সাঁতুৰিবলৈ শিকাসকল বহুত প্ৰসিদ্ধ হয়। তোমালোকৰ সাঁতোৰ চোৱা কেনেকুৱা, একেবাৰে ওপৰলৈ গুচি যোৱা আকৌ ইয়ালৈ আহা। তেওঁলোকেতো দেখুৱায় ইমান মাইল ওপৰলৈ গ'ল। তোমালোক আত্মাসকল কিমান মাইল ওপৰলৈ যোৱা। সেয়া হ'ল স্থূল বস্তু, যাক গণনা কৰে। তোমালোকৰতো গণনাতীত। তোমালোকে জানা যে আমি আত্মাসকল নিজৰ ঘৰলৈ গুচি যাম, য'ত সূৰ্য-চন্দ্ৰ আদি নাথাকে। তোমালোক আনন্দিত হোৱা- সেয়া আমাৰ ঘৰ। আমি তাৰ নিবাসী। মনুষ্যই মুক্তিধামলৈ যাবৰ বাবে ভক্তি কৰে, পুৰুষাৰ্থ কৰে। কিন্তু কোনেও যাব নোৱাৰে। মুক্তিধামত ভগৱানৰ সৈতে মিলিত হোৱাৰ চেষ্টা কৰে। অনেক প্ৰকাৰৰ যত্ন কৰে। কোনোৱে কয় আমি জ্যোতিত সমাহিত হৈ যাওঁ। কোনোৱে কয় মুক্তিধামলৈ যাওঁ। মুক্তিধামৰ বিষয়ে কোনেও নাজানে। তোমালোক সন্তানসকলে জানা বাবা আহিছে নিজৰ ঘৰলৈ লৈ যাবলৈ। অতি মৰমৰ বাবা আহিছে, আমাক ঘৰলৈ লৈ যোৱাৰ যোগ্য কৰি তোলে। যাৰ বাবে আধাকল্প পুৰুষাৰ্থ কৰিও হ'ব নোৱাৰে। কোনেও জ্যোতিত সমাহিত হৈ যাব নোৱাৰে, মুক্তিধামলৈও যাব নোৱাৰে আৰু মোক্ষও পাব নোৱাৰে। যি কিছু পুৰুষাৰ্থ কৰিছে সেয়া ব্যৰ্থ। এতিয়া তোমালোক ব্ৰাহ্মণ কুল ভূষণসকলৰ পুৰুষাৰ্থ সত্য সিদ্ধ হয়। এইখন খেল কেনেকৈ ৰচি থোৱা আছে। তোমালোকক এতিয়া আস্তিক বুলি কোৱা হয়। পিতাক ভালদৰে তোমালোকে জানা আৰু পিতাৰ দ্বাৰা সৃষ্টি চক্ৰকো জানিছা। পিতাই কয় - মুক্তি-জীৱনমুক্তিৰ জ্ঞান কাৰো নাই। দেৱতাসকলৰো নাই। পিতাক কোনেও নাজানে তেন্তে কাৰোবাক কেনেকৈ লৈ যাব। কিমান অনেক গুৰু লোক আছে, কিমান তেওঁলোকৰ অনুগামী হয়। সঁচা সঁচা সৎগুৰু হ'ল শিৱবাবা। তেওঁৰতো চৰণ নাই। তেওঁ কয় - মোৰতো চৰণ নাই। মই নিজৰে কেনেকৈ পূজা কৰাওঁ। সন্তানসকল বিশ্বৰ মালিক হয়, তেওঁলোকৰ দ্বাৰা পূজা কৰাম জানো। ভক্তিমাৰ্গত সন্তানসকল পিতাৰ চৰণত পৰে। বাস্তৱতো পিতাৰ সম্পত্তিৰ মালিক সন্তানসকল হয়। কিন্তু নম্ৰতা দেখুৱায়। সৰু ল'ৰা-ছোৱালী আদি সকলোৱে গৈ চৰণত পৰে। ইয়াত পিতাই কয় - তোমালোকক চৰণত পৰাৰ পৰাও মুক্ত কৰি দিওঁ। কিমান মহান পিতা। তেওঁ কয় - তোমালোক সন্তানসকল মোৰ সহায়কাৰী হোৱা। তোমালোক সহায়কাৰী নোহোৱাহেঁতেন মই স্বৰ্গৰ স্থাপনা কেনেকৈ কৰিলোঁহেঁতেন। পিতাই বুজায়

- সন্তানসকল, এতিয়া তোমালোক সহায়কাৰী হোৱা তেতিয়া মই তোমালোকক এনেকুৱা কৰি তোলোঁ যে কাৰো সহায় লোৱাৰ প্ৰয়োজনেই নাথাকিব। তোমালোকে কাৰো ৰায় লোৱাৰ দৰকাৰ নাথাকিব। ইয়াত পিতাই সন্তানসকলৰ সহায় লৈ আছে। তেওঁ কয় - সন্তানসকল, এতিয়া ছিঃ ছিঃ নহ'বা। মায়াৰ হাতত পৰাজিত নহ'বা। মুষ্টিযুদ্ধ হ'লে তেতিয়া তাত কোনোবা জয়ী হয় তেতিয়া বাঃ! বাঃ! হৈ যায়। পৰাজিত হোৱাজনৰ মুখ শেঁতা পৰি যায়। ইয়াতো পৰাজিত হয়। ইয়াত পৰাজিত হোৱাজনক কোৱা হয় - মুখ ক'লা কৰি দিলা। আহিছে বগা (পাৱন) হ'বলৈ আৰু কি কৰি দিয়ে। কৰা উপাৰ্জন সকলো শেষ হৈ যায়, পুনৰ নতুনকৈ আৰম্ভ কৰিবলগীয়া হয়। পিতাৰ সহায়কাৰী হোৱাৰ পাছত আকৌ পৰাজিত হৈ নাম বদনাম কৰি দিয়ে। দুটা দল আছে। এটা হ'ল মায়াৰ গ্ৰাহক, আনটো ঈশ্বৰৰ। তোমালোকে পিতাক স্নেহ কৰা। গায়নো আছে - বিনাশকালত অপ্ৰীতিকৰ বুদ্ধি। তোমালোকৰ হ'ল প্ৰীতি বুদ্ধি। গতিকে তোমালোকে নাম বদনাম কৰিব লাগে জানো। তোমালোক প্ৰীতি বুদ্ধিৰ তেন্তে আকৌ মায়াৰ হাতত পৰাজিত কিয় হোৱা। পৰাজিত হোৱাসকলৰ দুখ হয়। জয়ী হোৱাসকলৰ কাৰণে তালি বজাই বাঃ! বাঃ! কৰে। তোমালোক সন্তানসকলে বুজি পোৱা যে আমিতো পালোৱান হওঁ। এতিয়া নিশ্চয় মায়াক জয় কৰিব লাগে। পিতাই কয় - দেহ সহিত যি কিছু দেখিবলৈ পোৱা, সেই সকলোবোৰ পাহৰি যোৱা। মামেকম্ (কেৱল মোক) স্মৰণ কৰা। মায়াই তোমালোকক সতোপ্ৰধানৰ পৰা তমোপ্ৰধান কৰি দিলে। এতিয়া পুনৰ সতোপ্ৰধান হ'ব লাগে। মায়াক জয় কৰি জগতজিৎ হ'ব লাগে। এয়া হয়েই হৰা আৰু জিকা, সুখ-দুখৰ খেল। ৰাৱণৰাজ্যত পৰাজিত হয়। এতিয়া পিতাই পুনৰ অতি মূল্যৱান কৰি তোলে। বাবাই বুজাইছে - একমাত্ৰ শিৱবাবাৰ জয়ন্তীয়ে অতি মূল্যৱান। তোমালোক সন্তানসকল এতিয়া এনেকুৱা লক্ষ্মী-নাৰায়ণ হ'ব লাগে। তাত ঘৰে ঘৰে দ্বীপমালা থাকে, সকলোৰে জ্যোতি জ্বলি থাকে। মূল শক্তিৰ উৎসৰ পৰা জ্যোতি জ্বলে। পিতাই কিমান সহজ ৰীতিৰে বুজায়। পিতাৰ বাহিৰে আন কোনে অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তান বুলি ক'ব। আত্মিক পিতাইহে কয় - হে মোৰ অতি মৰমৰ সন্তানসকল, তোমালোকে আধাকল্পৰ পৰা ভক্তি কৰি আহিছা। এজনো উভতি যাব নোৱাৰে। পিতাহে আহি সকলোকে লৈ যায়।

তোমালোকে সংগমযুগৰ ওপৰত ভালদৰে বুজাব পাৰা। পিতা আহি কেনেকৈ সকলো আত্মাক লৈ যায়। সৃষ্টিত এই বেহদ নাটকৰ বিষয়ে কোনেও নাজানে, এইখন বেহদৰ নাটক। এয়াও তোমালোকে বুজি পোৱা, অন্য কোনেও ক'ব নোৱাৰে। যদি কয় বেহদৰ ড্ৰামা তেন্তে আকৌ ড্ৰামাৰ বৰ্ণনা কেনেকৈ কৰিব। ইয়াত তোমালোকে 84ৰ চক্ৰক জানা। তোমালোক সন্তানসকলে জানিছা, তোমালোকেহে স্মৰণ কৰিব লাগে। পিতাই কিমান সহজকৈ শুনায়। ভক্তিমাৰ্গত তোমালোকে কিমান হাবাথুৰি খোৱা। তোমালোক কিমান দূৰলৈ স্নান কৰিব যোৱা। এটা হ্ৰদ আছে, এনেকৈ কয় যে তাত ডুব মাৰিলে পৰি হৈ যায়। এতিয়া তোমালোকে জ্ঞান সাগৰত ডুব মাৰি ৰাজকুমাৰ হৈ যোৱা। কোনোবাই চৌখিন সাজপাৰ পৰিধান কৰিলে কয় এওঁতো পৰি হৈ গৈছে। এতিয়া তোমালোকো ৰত্ন হোৱা। বাকী মনুষ্যৰ উৰিবলৈ পাখি আদি থাকিব নোৱাৰে। এনেকৈ উৰিব নোৱাৰে। উৰোঁতা হয়েই আত্মা। আত্মা যাক ৰকেট বুলিও কোৱা হয়, আত্মা কিমান সূক্ষ্ম। যেতিয়া সকলো আত্মা যাব তেতিয়া হয়তো তোমালোক সন্তানসকলৰ সাক্ষাৎকাৰো হ'ব। বুদ্ধিৰে বুজিব পাৰা - তোমালোকে ইয়াত বৰ্ণনা কৰিব পাৰা, হয়তো যেনেকৈ বিনাশ দেখা পোৱা যায় তেনেকৈ আত্মাসকলৰ জুমোঁ দেখা পাব পাৰি যে কেনেকৈ যায়। হনুমান, গণেশ আদিতো নাই। কিন্তু তেওঁলোকৰ ভাৱনা অনুসাৰে সাক্ষাৎকাৰ হৈ যায়। বাবাতো হয়েই বিন্দু, তেওঁৰ কি বৰ্ণনা কৰিব। কয়ো যে সূক্ষ্ম তৰা যাক এই দুচকুৰে দেখা পাব নোৱাৰি। শৰীৰ কিমান ডাঙৰ, যাৰ দ্বাৰা কৰ্ম কৰিব লাগে। আত্মা কিমান সূক্ষ্ম তাত 84ৰ চক্ৰ নিহিত হৈ আছে। এজনো মনুষ্য নোলাব যাৰ বুদ্ধিত আছে যে আমি 84 জন্ম কেনেকৈ লওঁ। আত্মাত কেনেকৈ ভূমিকা নিহিত হৈ আছে। আশ্চৰ্যজনক কথা। আত্মাইহে শৰীৰ লৈ ভূমিকা পালন কৰে। সেয়া হ'ল হদৰ নাটক, এয়া হ'ল বেহদৰ। বেহদৰ পিতা স্বয়ং আহি নিজৰ পৰিচয় দিয়ে। যিসকল ভাল সেৱাৰ যোগ্য সন্তান আছে, তেওঁলোকে বিচাৰ সাগৰ মন্থন কৰি থাকে। কাক কেনেকৈ বুজাম। কিমান তোমালোকে এজন এজনৰ লগত মগজ খটুওৱা। তথাপি কয় বাবা আমি বুজিয়েই নাপাওঁ। কোনোবাই নপঢ়িলে তেতিয়া কোৱা হয় এওঁতো পাথৰ বুদ্ধিৰ। তোমালোকে দেখিবলৈ পোৱা ইয়াতো কোনোবা 7 দিনতে বহুত আনন্দেৰে আহি কয় - বাবাৰ ওচৰলৈ যাওঁ। কোনোৱেতো একোৱেই বুজি নাপায়। মনুষ্যইতো কেৱল কৈ দিয়ে পাথৰবুদ্ধি, পাৰসবুদ্ধি, কিন্তু অৰ্থ নাজানে। আত্মা পবিত্ৰ হ'লে পাৰসনাথ হৈ যায়। পাৰসনাথৰ মন্দিৰো আছে। গোটেইটো সোণৰেই মন্দিৰ নহয়। ওপৰত অলপ সোণ লগাই দিয়ে। তোমালোক সন্তানসকলে জানা আমি বাগিচাৰ গৰাকীক পাইছোঁ, কাঁইটৰ পৰা ফুল হোৱাৰ যুক্তি শুনায়। গায়নো আছে নহয় – আল্লাৰ বাগিচা। তোমালোকৰ ওচৰত আগতে এজন মুছলমান ধ্যানত গৈছিল - কৈছিল যে খোদাই মোক ফুল দিলে। থিয় হৈ থাকোতেই বাগৰি পৰিছিল, খোদাৰ বাগিচা চাইছিল। এতিয়া খোদাৰ বাগিচা দেখুৱাওঁতাজনতো স্বয়ং খোদাই হ'ব। অন্য কোনোবাই কেনেকৈ দেখুৱাব। তোমালোকক বৈকুণ্ঠৰ সাক্ষাৎকাৰ কৰায়। খোদাইহে লৈ যায়। নিজেতো তাত নিবাস নকৰে। খোদাতো শান্তিধামত থাকে। তোমালোকক বৈকুণ্ঠৰ মালিক কৰি তোলে। কিমান ভাল

ভাল কথা তোমালোকে বুজা। আনন্দ পোৱা যায়। ভিতৰি বহুত আনন্দিত হোৱা উচিত - এতিয়া আমি সুখধামলৈ যাওঁ। তাত দুখৰ কথা নাথাকে। পিতাই কয় সুখধাম, শান্তিধামক স্মৰণ কৰা। ঘৰক কিয় স্মৰণ নকৰিবা। আত্মাই ঘৰলৈ যোৱাৰ বাবে কিমান মগজ খটুৱায়। জপ-তপ আদি বহুত পৰিশ্ৰম কৰে কিন্তু যাব কোনেও নোৱাৰে। বৃক্ষৰ পৰা ক্ৰমানুসৰি আত্মাসকল আহি থাকে আকৌ মাজতে কেনেকৈ যাব পাৰে। যিহেতু পিতাই ইয়াত আছে। তোমালোক সন্তানসকলক নিতৌ বুজাই থাকে - শান্তিধাম আৰু সুখধামক স্মৰণ কৰা। পিতাক পাহৰি যোৱাৰ কাৰণেই আকৌ দুখী হয়। মায়াৰ শাস্তি খাবলগীয়া হৈ যায়। এতিয়াতো অলপো শাস্তি খাব নালাগে। মূল হৈছে দেহ-অভিমান।

তোমালোকে এতিয়ালৈকে যিজন পিতাক স্মৰণ কৰিছিলা – হে পতিত-পাৱন আহক, সেইজন পিতাৰ পৰা পঢ়ি আছা। তোমালোকৰ একান্ত বাধ্য সেৱক শিক্ষকো হয়। একান্ত বাধ্য পিতাও হয়। ডাঙৰ ব্যক্তিয়ে তলত সদায় লিখে - একান্ত বাধ্য সেৱক। পিতাই কয় - চোৱা মই তোমালোক সন্তানসকলক কেনেকৈ বহি বুজাওঁ। সুসন্তানসকলৰ প্ৰতিহে পিতাৰ মৰম থাকে। যিসকল কুসন্তান অৰ্থাৎ পিতাৰ হৈ পুনৰ বিশ্বাসঘাতক হৈ যায়, বিকাৰগ্ৰস্ত হৈ যায় তেন্তে পিতাই ক'ব এনেকুৱা সন্তান নজন্মিলেই ভাল আছিল। এজনৰ কাৰণে কিমানৰ নাম বদনাম হৈ যায়। কিমানৰ কষ্ট হয়। ইয়াত তোমালোকে কিমান উচ্চ কাম কৰি আছা। বিশ্বক উদ্ধাৰ কৰি আছা আৰু তোমালোকে 3 পদ ভূমিও নোপোৱা। তোমালোক সন্তানসকলে কাকো ঘৰ-সংসাৰৰ পৰাতো আঁতৰাই নিদিয়া। তোমালোকেতো ৰজাসকলোকো কোৱা- আপোনালোক পূজ্য দ্বৈত মুকুটধাৰী আছিল, এতিয়া পূজাৰী হৈ গৈছে। এতিয়া পিতাই পুনৰ পূজ্য কৰি তোলে তেন্তে হ'ব লাগে নহয়। অলপ সময় আছে। আমি ইয়াত কাৰোবাৰ পৰা লাখ লৈ কি কৰিম। গৰিবে ৰাজ্য-ভাগ্য পায়। পিতা গৰিবৰ ত্ৰাণকৰ্তা হয় নহয়। তোমালোকে অৰ্থ সহিত বুজি পোৱা যে পিতাক গৰিবৰ ত্ৰাণকৰ্তা বুলি কিয় কোৱা হয়! ভাৰতো কিমান গৰিব, তাৰ ভিতৰতো মাতাসকল গৰিব। যিসকল চহকী তেওঁলোকে এই জ্ঞান ধাৰণ কৰিব নোৱাৰে। গৰিব অৱলাসকল কিমান আহে, তেওঁলোকৰ ওপৰত অত্যাচাৰ হয়। পিতাই কয় - মাতাসকলক আগবঢ়াই দিব লাগে। প্ৰভাত ফেৰিতো আগত মাতাসকল থাকিব লাগে। তোমালোকৰ বেজো অতি উত্তম। এই আলোক সন্মিলিত (ট্ৰান্সলাইটৰ) চিত্ৰও তোমালোকৰ আগত থাকিব লাগে। সকলোকে শুনোৱা যে সৃষ্টি সলনি হৈ আছে। পিতাৰ পৰা কল্প পূৰ্বৰ দৰে উত্তৰাধিকাৰ পাই আছোঁ। সন্তানসকলে বিচাৰ সাগৰ মন্থন কৰিব লাগে - কেনেকৈ সেৱা ফলপ্ৰসূ কৰিব পাৰি। সময়তো লাগে নহয়। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পিতাৰ প্ৰতি পূৰা প্ৰীতি ৰাখি সহায়কাৰী হ'ব লাগে। মায়াৰ হাতত পৰাজিত হৈ কেতিয়াও নাম বদনাম কৰিব নালাগে। পুৰুষাৰ্থ কৰি দেহ সহিত যি কিছু দেখিবলৈ পোৱা যায় সেয়া পাহৰি যাব লাগে।

(2) ভিতৰি আনন্দিত হৈ থাকিব লাগে যে এতিয়া আমি শান্তিধাম, সুখধামলৈ যাওঁ। বাবা একান্ত বাধ্য শিক্ষক হৈ আমাক ঘৰলৈ লৈ যোৱাৰ বাবে যোগ্য কৰি তোলে। যোগ্য, সুসন্তান হ'ব লাগে, কুসন্তান নহয়।

বৰদান: প্ৰতিটো সংকল্প, সময়, বৃত্তি আৰু কৰ্মৰ দ্বাৰা সেৱা কৰোঁতা নিৰন্তৰ সেৱাধাৰী হোৱা

যেনেকৈ পিতা অতি প্ৰিয়, পিতাৰ অবিহনে জীৱন নাই, তেনেকৈয়ে সেৱা অবিহনে জীৱন নাই। নিৰন্তৰ যোগীৰ লগতে নিৰন্তৰ সেৱাধাৰী হোৱা। শুই থাকোঁতেও যাতে সেৱা হয়। শুই থকাৰ সময়ত যদি কোনোবাই তোমালোকক দেখে তেতিয়া তোমালোকৰ চেহেৰাৰে শান্তি, আনন্দৰ প্ৰকম্পন অনুভৱ কৰক। প্ৰতিটো কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা পিতাৰ স্মৃতি সোঁৱৰাই দিয়াৰ সেৱা কৰি থাকা। নিজৰ শক্তিশালী বৃত্তিৰ দ্বাৰা প্ৰকম্পন বিয়পাই থাকা, কৰ্মৰ দ্বাৰা কৰ্মযোগী হোৱাৰ বৰদান দি থাকা, প্ৰতিটো খোজত পদমৰ উপাৰ্জন জমা কৰি থাকা তেতিয়া নিৰন্তৰ সেৱাধাৰী অৰ্থাৎ সেৱাৰ যোগ্য বুলি কোৱা হ'ব।

শ্লোগান: নিজৰ আত্মিক ব্যক্তিত্ব স্মৃতিত ৰাখা তেতিয়া মায়াজিৎ হৈ যাবা।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত: নিজৰ আৰু সকলোৰে প্ৰতি মনেৰে যোগৰ শক্তি প্ৰয়োগ কৰা

যেনেকৈ বাণীৰ অভ্যাস কৰি কৰি বাণীৰ শক্তিশালী হৈ গৈছা, তেনেকৈ শান্তিৰ শক্তিৰো অভ্যাসী হৈ যোৱা। আগলৈ গৈ বাণী বা স্থূল সাধনৰ দ্বাৰা সেৱাৰ সময় নাপাবা। এনেকুৱা সময়ত শান্তিৰ শক্তিৰ সাধনৰ আৱশ্যক হ’ব কিয়নো যি যিমান মহান শক্তিশালী হয় তেওঁ অতি সূক্ষ্ম হয়। গতিকে বাণীতকৈ শুদ্ধ সংকল্প সূক্ষ্ম হয় সেইকাৰণে সূক্ষ্মৰ প্ৰভাৱ শক্তিশালী হ’ব।